**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-06-2026
**Time :** 18-45 Hrs

# ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ৰাজ্যৰ নৱ নিযুক্ত মন্ত্ৰীসকলক জিলাসমূহৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব অৰ্পন।

২। ৰাজ্য চৰকাৰৰ ২ লাখ চৰকাৰী চাকৰি সৃষ্টিৰ বাবে যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ।

৩। গীতিকবি, নাট্যকাৰ পাৰ্বতী প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন।

৪। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া কাইলৈ আৰম্ভ।

**আৰু**

৫। ভাৰতৰ বিৰুদ্ধে টেষ্ট ক্ৰিকেটৰ আজি দ্বিতীয় দিনা আফগানিস্তানৰ প্ৰথম ইনিংছত প্ৰথম দিনাৰ অন্তত ৫ উইকেটৰ বিনিময়ত ১১৩ ৰান সংগ্ৰহ।

০০০০

ৰাজ্যৰ নৱ নিযুক্ত মন্ত্ৰীসকলক জিলাসমূহৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব অৰ্পন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। এই অনুসৰি ৰামেশ্বৰ টেলীক তিনিচুকীয়া আৰু যোৰহাট, অতুল বৰাক কামৰূপ মহানগৰ আৰু ধেমাজী, চৰণ বড়োক কোকৰাঝাৰ, বাক্সা, চিৰাং, অজন্তা নেওগক মৰিগাওঁ, কামৰূপ আৰু অশ্বিনী ৰায় চৰকাৰক বঙাইগাওঁ আৰু বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। একেদৰে অশোক সিংহলক দৰং, ধুবুৰী, বিমল বৰাক শিৱসাগৰ, চৰাইদেউ, বিশ্বজিৎ দৈমাৰীক নলবাৰী, শোণিতপুৰ, জয়ন্ত মল্ল বৰুৱাক তামুলপুৰ, গোৱালপাৰা আৰু কৌশিক ৰায়ক শ্ৰীভূমি তথা হাইলাকান্দি জিলাৰ দায়িত্ব দিয়া হৈছে। ইপিনে, মন্ত্ৰী কেশৱ মহন্তক দক্ষিণ শালমাৰা মানকাচৰ আৰু উত্তৰ লখিমপুৰ, কৃষ্ণেন্দু পালক ডিমা হাচাও, কাচাৰ, নিলীমা দেৱীক বজালী, ওদালগুৰি, পিয়ুষ হাজৰিকাক নগাওঁ, হোজাই, কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, ডাঃ ৰণোজ পেগুক বিশ্বনাথ, গোলাঘাট আৰু সুশান্ত বৰগোহাইক মাজুলী আৰু ডিব্ৰুগড় জিলাৰ দায়িত্ব অৰ্পন কৰা হৈছে। মন্ত্ৰীসকলে সংশ্লিষ্ট জিলা প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষা কৰি উন্নয়ন, সুশাসন আৰু সমৃদ্ধিৰ যাত্ৰাক অধিক গতিশীল কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০

ৰাজ্য চৰকাৰে নিৰ্বাচনৰ প্ৰচাৰত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ২ লাখ চৰকাৰী চাকৰি সৃষ্টিৰ বাবে যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ কৰিছে। সেই অনুসৰি ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে সকলো প্ৰশাসনিক বিভাগৰ জ্যেষ্ঠ সচিবলৈ পত্ৰ প্ৰেৰণ কৰি খালী থকা পদৰ বিতং তথ্য ১৭ জুনৰ ভিতৰত দাখিল কৰিবলৈ নিৰ্দেশ দিছে। নতুন ৰাজ্য চৰকাৰে প্ৰথমখন কেবিনেট বৈঠকতে অহা ৫ বছৰত ২ লাখ চাকৰী সৃষ্টিৰ বিষয়টো ত্বৰান্বিত কৰাৰ বাবে মুখ্য সচিবৰ নেতৃত্বত টাস্কফোৰ্চ গঠন কৰিছে। মুখ্য সচিব ড০ ৰবী কোটাৰ নেতৃত্বত ২৭ মে'ত টাস্কফোৰ্চত প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অহা ৫ বছৰত ২ লাখ চৰকাৰী চাকৰি সৃষ্টিৰ ৰূপৰেখা প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০

অহা ২ জুলাইত গুৱাহাটীত প্ৰথমবাৰৰ বাবে ভাৰত-জাপান মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হ'ব। সন্মিলনত অংশ লোৱাৰ বাবে জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী ছানায়ে টাকাইচি ১ জুলাইত অসমত উপস্থিত হব। ২ জুলাইত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই সন্মিলনত অংশ লোৱাৰ বাবে অসমলৈ আহিব। ভাৰতৰ সৈতে জাপানৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ প্ৰয়াস হিচাপে এই সন্মিলনৰ আয়োজন কৰা হৈছে। এই সন্দৰ্ভত মন্ত্ৰী নিলীমা দেৱীয়ে সংবাদমাধ্যমৰ আগত এইদৰে কয়।

বাইট-নিলীমা

এই সন্মিলনত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙকে ধৰি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কেইবাগৰাকীও সদস্য আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। দুয়ো দেশৰ এই সন্মিলনক লৈ ইতিমধ্যে দিল্লীৰ লগতে দিছপুৰতো বিশেষ তৎপৰতা আৰম্ভ হৈছে। কেন্দ্ৰৰ পৰা এই সন্দৰ্ভত অনুমোদন লাভ কৰাৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰে ভাৰত-জাপান আন্তঃৰাষ্ট্ৰীয় মৈত্ৰী সন্মিলনখন সুচাৰুৰূপে আয়োজন কৰাৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় পৰিকল্পনা যুগুত কৰিছে। এই লৈ কালি লোকসেৱা ভৱনত মুখ্যমন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত অসম মন্ত্ৰী পৰিষদৰ গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, এই সন্মিলনত প্ৰতিৰক্ষা, বাণিজ্য, অৰ্থনৈতিক সুৰক্ষা আদি কেইবাটাও বিষয়ত উভয় দেশৰ মাজত বুজাবুজিৰ চুক্তি সম্পাদন হোৱাৰ সম্ভাৱনা আছে।

০০০০

গীতিকবি, নাট্যকাৰ পাৰ্বতী প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। কবি, চলচ্চিত্ৰ নিৰ্মাতা আৰু নাট্যকাৰ হিচাপে প্ৰসিদ্ধ লাভ কৰা পাৰ্বতী প্ৰসাদ বৰুৱাই ১৯৪০ চনত ৰূপহী নামৰ চতুৰ্থখন অসমীয়া চলচ্চিত্ৰ নিৰ্মাণ কৰিছিল। ১৯৬১ চনত গোৱালপাৰাত অসম সাহিত্য সভাৰ সংগীত সন্মিলনৰ সভাপতি পদ তেওঁ অলংকৃত কৰিছিল। ১৯৬৪ চনৰ আজিৰ দিনটোত দেৱাবসান ঘটা গীতিকবিগৰাকীৰ গুণগুণনি, লুইতি, শুকুলা ডাৰৰ ঐ কহুৱা ফুল আদিৰ গীতৰ পুথিৰে অসমীয়া গীতি সাহিত্যক চহকী কৰিছে। চৰাইদেউ জিলাৰ সোণাৰীত আজি গীতিকবিগৰাকীৰ স্মৃতি দিৱস পালন কৰা হয়। আজি সোণাৰীত উজনি অসম ভিত্তিত পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতা ভালেসংখ্যক প্ৰতিযোগীয়ে অংশ লয়। দুটা শাখাত বিভক্ত প্ৰতিযোগিতাৰ উচ্চ শাখাত ১৬ গৰাকী আৰু নিম্ন শাখাত ৬৪ গৰাকী প্ৰতিযোগীয়ে অংশলৈ গীত পৰিবেশন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পূণ্যতিথিত গীতিকবিক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। এটা বাৰ্তাত ড° শৰ্মাই বৰুৱাৰ সৃষ্টিৰাজি প্ৰতিগৰাকী অসমীয়াৰ মানস পটত সজীৱ হৈ থাকিব বুলি আশা প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও গীতিকবিগৰাকীৰ পূণ্যতিথিত শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া কাইলৈ আৰম্ভ হ'ব। বিচাৰৰ প্ৰথম দিনটোতে আদালতে ৪ জন সাক্ষীক তলব কৰিছে। আদালতে গোচৰ সংক্ৰান্তত মৰিগাওঁ জিলাৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনক কাইলৈ আদালতত হাজিৰ হৈ সাক্ষ্য দিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে ফাষ্টট্ৰেক আদালতে যোৱা ২৬ মে'ত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰিছিল। ইয়াৰ ভিত্তিত আদালতে কাইলৈৰ পৰা প্ৰতিদিনে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত সাক্ষীৰ সাক্ষ্যগ্ৰহণ কৰিব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৩৯৪ গৰাকী ব্যক্তি সাক্ষী আছে।

০০০০

মাজুলী জিলা কৰ্মচাৰী পৰিষদৰ আতিথ্যত উত্তৰ কমলাবাৰী সত্ৰৰ শংকৰদেৱ কৃষ্টি সংঘত আজি সদৌ অসম কৰ্মচাৰী পৰিষদৰ এখন গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া, কৰ্মকৰ্তা তথা কাৰ্যনিৰ্বাহক সদস্যসকলে অংশগ্ৰহণ কৰে। সভাত সদৌ অসম কৰ্মচাৰী পৰিষদৰ

দৰমহাৰ গাঁঠনি, চাকৰীৰ সুৰক্ষা, আইনী ৰেহাই আদি সন্দৰ্ভত বহু কেইটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়। তদুপৰি কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদন যাতে একে হয়, এই সন্দৰ্ভতো আজিৰ সভাত আলোচনা কৰা হয়। শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ে টেট বাধ্যতামূলক কৰাৰ বাবে দিয়া নিৰ্দেশনাৰ পৰা শিক্ষকসকলক ৰেহাই দিয়াৰ বাবে বিধিগত ব্যৱস্থা নিৰূপণ কৰিবলৈ চৰকাৰক দাবী জনোৱা হ'ব বুলি কৰ্মচাৰী পৰিষদৰ নেতৃত্বই জানিবলৈ দিয়ে।

(বাইট)

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ২৩ জুনত ২০২৬ বৰ্ষৰ পদ্ম বঁটা লাভ কৰা ৬৫ গৰাকী ব্যক্তিক এই সন্মান প্ৰদান কৰিব। যোৱা মাহত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এই অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত ৬৬গৰাকী ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰা হৈছিল। পদ্ম বঁটা প্ৰদানৰ দ্বিতীয় পৰ্যায়ত অসমৰ যোগেশ দেওৰী, নুৰুদ্দিন আহমেদ, পখিলা লেকথেপী আৰু মৰণোত্তৰভাৱে কবিন্দ্ৰ পুৰুকায়স্থক এই সন্মান প্ৰদান কৰা হ'ব। ইয়াৰ পূৰ্বে হৰিচৰণ শইকীয়াক প্ৰথম পৰ্যায়ত পদ্ম বঁটা প্ৰদান কৰা হয়। চলিত বৰ্ষত পাঁচটা পদ্ম বিভূষণ, ১৩ টা পদ্মভূষণ আৰু ১১৩টা পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ১৩১গৰাকী ব্যক্তিলৈ এই সন্মান আগবঢ়োৱা হৈছে। প্ৰতি বছৰৰ গণৰাজ্য দিৱসৰ দিনা এই বঁটা ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্ৰমা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱাকে ধৰি উল্লেখনীয় অৱদান আগবঢ়োৱা লোকলৈ এই সন্মানীয় বঁটা আগবঢ়োৱা হয়।

০০০০

তেল আৰু প্ৰাকৃতিক গেছ নিগম অ' এন জি চি কেতবোৰ নীতিৰ বিৰোধিতা কৰি আজি শিৱসাগৰত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত এখন নাগৰিক সভা অনুষ্ঠিত হয়। এই সভাত অ' এন জি চিত নিযুক্তি বন্ধ কৰা, লোকচানৰ অজুহাত দেখুৱাই তৈলক্ষেত্ৰসমূহ ব্যক্তিগত প্ৰতিষ্ঠানত অৰ্পন কৰা, শিৱসাগৰৰ পৰা বিভিন্ন কাৰ্যালয় স্থানান্তৰ কৰাকে ধৰি সিদ্ধান্তসমূহৰ সমালোচনা কৰা হয়। সভাই প্ৰতিষ্ঠানটোত এশ শতাংশ থলুৱা নিযুক্তি নিশ্চিত কৰা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা, পৰিবেশৰ ভাৰসাম্য ৰক্ষা, পৰম্পৰাগত কলা সংস্কৃতি সংৰক্ষণকে ধৰি কেইবাটাও দাবী উত্থাপন কৰে। বিভিন্ন স্তৰৰ নাগৰিকে অংশ লোৱা এই সভাত গড়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সব্যসাচী মহন্ত, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ সৌমাৰজ্যোতি মহন্ত, অ' এন জিচিৰ অৱসৰপ্ৰাপ্ত বিষয়া পোনাৰাম মিলি, সাংবাদিক মনোজ বৰঠাকুৰকে ধৰি ভালেসংখ্যক ব্যক্তিয়ে বক্তব্য আগবঢ়ায়। এই সন্দৰ্ভত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ বিষয়ববীয়া পাৰ্থ গগৈয়ে সাংবাদিকৰ আগত এইদৰে কয়।

বাইট

০০০০

চলিত বৰ্ষৰ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে চৰকাৰে আবেদনৰ আহ্বান কৰিছে। অহা ৩১ জুলাই আবেদন জমা দিয়াৰ শেষ দিন ধাৰ্য কৰা হৈছে। সাহসিকতা, সমাজসেৱা, পৰিৱেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তিৰ লগতে বিভিন্ন ক্ষেত্ৰত প্ৰদৰ্শন কৰা ব্যতিক্ৰমী কৰ্মৰ বাবে ৰাষ্ট্ৰপতিৰ জৰিয়তে শিশুসকলক এই সন্মানীয় বঁটা প্ৰদান কৰি অহা হৈছে। awards.gov.in ত ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে ইয়াৰ বাবে আবেদন কৰিব পাৰিব বুলি মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আজিৰে পৰা ১৫ জুলাইলৈ পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভিযান অনুষ্ঠিত হৈছে। কাৰ্যসূচীত আজি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত বুথ, মণ্ডল আৰু জিলা পৰ্যায়ৰ নেতৃত্বৰ বাবে দলীয় নেতা-কৰ্মীসকলক প্ৰশিক্ষণ দিয়া হয়। তদুপৰি

সামাজিক মাধ্যম, কৃত্তিম বুদ্ধিমত্তা, নমো এপ, সৰল এপ, বুথ ব্যৱস্থাপনা, চৰকাৰী আঁচনি ৰূপায়ন আদিকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষণ দিয়া হয়।

০০০০

তামুলপুৰৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত আজি সদৌ অসম VETERANS ASSOCIATION ৰ বাৰ্ষিক সাধাৰণ সভা আৰু তৃতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। তামুলপুৰ আঞ্চলিক প্ৰাক্তন সৈনিক সন্থাৰ ব্যৱস্থাপনাত আয়োজিত এই কাৰ্যসূচীত তামুলপুৰৰ বিধায়ক তথা মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে অংশগ্ৰহণ কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়।

বাইট- দৈমাৰী

এই অনুষ্ঠানত বিটিচিৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰী, প্ৰাক্তন এম চি এল এ মদন মোহন মুছাহাৰীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশ লৈ দেশমাতৃৰ সেৱাত ব্ৰতী হোৱা বীৰ জোৱানসকলৰ ত্যাগ আৰু অৱদানৰ শলাগ লয়।

০০০০

নিম্ন আৰু উচ্চ প্ৰাথমিকৰ বড়ো, গাৰো, মণিপুৰি আৰু মাৰ মাধ্যমৰ বাবে অহা ২৮ জুনত বিশেষ টেটৰ লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। অসম চৰকাৰৰ ৰাজ্যিক পৰ্যায়ৰ অধিকাৰ প্ৰাপ্ত টেট সমিতিয়ে এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি পৰীক্ষাৰ্থীসকলে অহা ১২ জুনৰ পুৱা ১১ বজাৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.sebaonline.org ৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। পৰীক্ষাৰ্থীসকলে প্ৰৱেশ পত্ৰৰ সৈতে যিকোনো এখন ফটোযুক্ত পৰিচয় পত্ৰ পৰীক্ষাৰ দিনা লগত নিব লাগিব। তদুপৰি পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ ম'বাইল ফোন, কোনো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী, ডিজিটেল ঘড়ী আদি লগত নিব নোৱাৰিব।

০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজত নিউ চণ্ডিগড়ত অনুষ্ঠিত টেষ্ট ক্ৰিকেটৰ আজি দ্বিতীয় দিনা আফগানিস্তানে প্ৰথম ইনিংছত  প্ৰথম দিনাৰ অন্তত ৫ উইকেটৰ বিনিময়ত ১১৩ ৰান সংগ্ৰহ কৰে। দলটো সম্প্ৰতি ভাৰতকৈ ৪৫১ ৰানত পিছপৰি আছে। দলৰ হৈ ৰহমত শ্বাহে ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰতীয় দলত প্ৰথমবাৰৰ বাবে অন্তৰ্ভুক্ত হোৱা মানৱ চুথাৰে ৩টা উইকেট দখল কৰাৰ বিপৰীতে প্ৰসিদ্ধ কৃষ্ণাই ২টা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে ভাৰতে আজি নিজৰ প্ৰথম ইনিংচৰ সামৰণিত ৮ উইকেটৰ বিনিময়ত ৫৬৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক সুভমন গীলে ১২৬ ৰান কৰাৰ লগতে কে এল ৰাহুলে ১০০ ৰান কৰে। ঋষভ পণ্ট আৰু সাই সুদৰ্শনে ৮১ ৰানকৈ বৰঙণি আগবঢ়ায়। ৱাশ্বিংটন সুন্দৰ ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। আফগানিস্তানৰ চলিম ছাফিয়ে ৬টা উইকেট লাভ কৰে।

০০০০

গুৱাহাটী মহানগৰ দবা সন্থাৰ উদ্যোগত অনুষ্ঠিত গুৱাহাটী মহানগৰ দবা চেম্পিয়নশ্বিপ ২০২৬ ৰ আজি সামৰণি পৰে। মহানগৰৰ আৰ জি বৰুৱা পথত অৱস্থিত গুৱাহাটী দবা একাডেমীত অনুষ্ঠিত এই প্ৰতিযোগিতা ১৩, ১৭ আৰু ১৯ বছৰ অনুৰ্ধ্ব শাখাত অনুষ্ঠিত হয়। মুঠ ৬১ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ বঁটা বিতৰণী অনুষ্ঠানত গুৱাহাটী মহানগৰ দবা সন্থাৰ কাৰ্যকৰী সভাপতি ডাঃ শিৱেন দত্ত, সম্পাদক সঞ্জীৱ কুমাৰ দাসৰ লগতে আন আন বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০

ঃঃ সমাপ্ত ঃঃ